NSD NEWS BULLETIN
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 11-07-2024
**Time :** 19.10 hrs

*Assamese Evening Bulletin*

**HEADLINES**

০০০০০০০০০

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীত ২০২৪-২৫ বৰ্ষৰ কেন্দ্ৰীয় বাজেটৰ পূৰ্বে নীতি আয়োগৰ অৰ্থনীতিবিদসকলৰ সৈতে আলোচনাত মিলিত হয়।

২। বিদেশ মন্ত্ৰী ডঃ এছ্ জয়শংকৰে কৈছে যে, ভাৰতৰ বাবে বংগোপসাগৰীয় বহুক্ষেত্ৰীয় প্ৰযুক্তি আৰু অৰ্থনৈতিক সহযোগিতা উদ্যম - বিমষ্টেকে চুবুৰীয়া প্ৰথম নীতি, পূবলৈ চোৱা নীতি তথা সাগৰ দৃষ্টিভংগীকে প্ৰতিনিধিত্ব কৰে।

৩। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰী জগত প্ৰকাশ নাড্ডাই বিশ্ব জনসংখ্যা দিৱস উপলক্ষে আজি নতুন দিল্লীত এটা আলোচনাৰ অধ্যক্ষতা কৰে।

৪। উচ্চতম ন্যায়ালয়ে স্নাতক পৰ্য্যায়ৰ চিকিৎসা বিজ্ঞান পাঠ্যক্ৰমৰ প্ৰৱেশ পৰীক্ষা নীট ইউ জি-২০২৪ সংক্ৰান্তীয় গোচৰৰ শুনানী অহা ১৮ জুলাইলৈ স্থগিত ৰাখিছে।

*আৰু*

৫। উইম্বলডন টেনিছ প্ৰতিযোগিতাৰ মহিলাৰ একক শাখাৰ প্ৰথমখন ছেমি ফাইনেলত আজি সন্ধিয়া কাজাখস্তানৰ এলেনা ৰায়বাকিনাই চেক গণৰাজ্যৰ বাৰবোৰা ক্ৰেজিছিক'ভাৰ বিৰুদ্ধে খেলিব।

০০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীত ২০২৪-২৫ বৰ্ষৰ কেন্দ্ৰীয় বাজেটৰ পূৰ্বে নীতি আয়োগৰ অৰ্থনীতিবিদসকলৰ সৈতে তেওঁলোকৰ মতামত আৰু পৰামৰ্শৰ বাবে আলোচনাত মিলিত হয়। এই বৈঠকত বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমণ, নীতি আয়োগৰ উপাধ্যক্ষ সুমন বেৰী, প্ৰধানমন্ত্ৰীৰ প্ৰধান সচিব পি কে মিশ্ৰকে ধৰি আগশাৰীৰ অৰ্থনীতিবিদ আৰু বিশেষজ্ঞসকলে অংশগ্ৰহণ কৰে। উল্লেখযোগ্য যে, অহা ২২ জুলাইত সংসদৰ বাজেট অধিৱেশন আৰম্ভ হ'ব আৰু বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমণে ২৩ জুলাইত লোকসভাত ২০২৪-২৫ বৰ্ষৰ কেন্দ্ৰীয় বাজেট দাখিল কৰিব। তৃতীয়টো কাৰ্য্যকালৰ বাবে নৰেন্দ্ৰ মোদীৰ নেতৃত্বত চৰকাৰ গঠন হোৱাৰ পাছত

এইখন হ'ব প্ৰথমখন পূৰ্ণাঙ্গ বাজেট। যোৱা মাহত অনুষ্ঠিত সংসদৰ উভয় সদনৰ যুটীয়া বৈঠকত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে এইবাৰৰ বাজেট চৰকাৰৰ দূৰগামী নীতি আৰু ভৱিষ্যৎ দৃষ্টিভংগীৰ ফলপ্ৰসূ নথি হ'ব বুলি মন্তব্য কৰিছিল। তেওঁ লগতে বাজেটত গুৰুত্বপূৰ্ণ অৰ্থনৈতিক আৰু সামাজিক সিদ্ধান্তৰ লগতে ভালেমান ঐতিহাসিক পদক্ষেপ দেখিবলৈ পোৱা যাব বুলি কৈছিল। লোকসভা নিৰ্বাচনৰ বাবে যোৱা ফেব্ৰুৱাৰীত অন্তৰৱৰ্তীকালীন বাজেট দাখিল কৰা হৈছিল।

ooooooooo

বিদেশ মন্ত্ৰী ড০ এছ্ জয়শংকৰে কৈছে যে, ভাৰতৰ বাবে বংগোপসাগৰীয় বহুক্ষেত্ৰীয় প্ৰযুক্তি আৰু অৰ্থনৈতিক সহযোগিতা উদ্যম - বিমষ্টেক হৈছে চুবুৰীয়া প্ৰথম নীতি, পূবলৈ চোৱা নীতি তথা সাগৰ দৃষ্টিভংগীকে প্ৰতিনিধিত্ব কৰে। তেওঁ কয় যে, এই ক্ষেত্ৰত চলাই থকা সকলো প্ৰয়াসৰ জৰিয়তে বংগোপসাগৰীয় অঞ্চলত বিশেষভাৱে গুৰুত্ব আৰোপ কৰা হৈছে। শ্ৰীজয়শংকৰে কয় যে, বিমষ্টেকৰ বিদেশ মন্ত্ৰীসকলৰ বাৰ্তাত এইটো স্পষ্ট হোৱা উচিত যে, তেওঁলোকে বংগোপসাগৰীয় এলেকাৰ দেশসমূহৰ মাজত নতুন শক্তি আৰু সম্পদৰ সৈতে সহযোগিতাৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ। তেওঁ কয় যে, দক্ষতা বৃদ্ধি আৰু অৰ্থনৈতিক সহযোগিতা দীৰ্ঘকালীন লক্ষ্য। সময়ৰ লগে লগে ইয়াৰ গুৰুত্ব অধিক বৃদ্ধি পাইছে আৰু বিমষ্টেকৰ দৰে সংগঠনে এই দিশত উচ্চাকাংক্ষা ৰাখিব লাগে।

ইয়াৰ পূৰ্বে বিদেশ মন্ত্ৰীগৰাকীয়ে ৰাষ্ট্ৰীয় ৰাজধানীত অনুষ্ঠিত এই সন্মিলনত বিমষ্টেকৰ বিদেশ মন্ত্ৰীসকলক অভ্যৰ্থনা জনায়। শ্ৰীজয়শংকৰে লগতে এই উদ্যমৰ প্ৰথম ভাগত যোগাযোগ, প্ৰতিষ্ঠান নিৰ্মাণ, ব্যৱসায়-বাণিজ্যৰ ক্ষেত্ৰত সহযোগিতা, স্বাস্থ্য আৰু মহাকাশ বিভাগত সহযোগিতা, ডিজিটেল ৰাজহুৱা আন্তঃগাঁথনি, দক্ষতা নিৰ্মাণ আদি সন্দৰ্ভত আলোচনা কৰা হ'ব।

এই দুদিনীয়া সন্মিলনে ৰাষ্ট্ৰগোষ্ঠীটোৰ সদস্য ৰাষ্ট্ৰসমূহক বংগোপসাগৰীয় অঞ্চল আৰু উপকূলীয় এলেকাত সুৰক্ষা, বিনিয়োগকে ধৰি বিভিন্ন ক্ষেত্ৰত সহযোগিতা অধিক শক্তিশালী কৰাৰ সুযোগ প্ৰদান কৰিব। বিমষ্টেক বহুক্ষেত্ৰীয় সহযোগিতাৰ বাবে দক্ষিণ আৰু দক্ষিণ-পূব এছিয়াৰ ৭ খন দেশৰ এটা গোট। ভাৰতৰ উপৰি এই গোটৰ অন্য সদস্য ৰাষ্ট্ৰসমূহৰ ভিতৰত শ্ৰীলংকা, বাংলাদেশ, ম্যানমাৰ, থাইলেণ্ড, নেপাল আৰু ভূটান আছে।

ooooooooo

কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰী জগত প্ৰকাশ নাড্ডাই বিশ্ব জনসংখ্যা দিৱস উপলক্ষে আজি নতুন দিল্লীত ভাৰ্চুৱেল মাধ্যমেৰে ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলৰ পৰিয়াল পৰিকল্পনা আৰু জনসংখ্যা নিয়ন্ত্ৰণৰ বিষয়সমূহক লৈ আয়োজিত এটা আলোচনাৰ অধ্যক্ষতা কৰে। আজি আলোচনাৰ বিষয় আছিল - মাতৃ আৰু শিশুৰ কল্যাণৰ বাবে গৰ্ভ ধাৰণৰ উপযুক্ত সময় আৰু দুটা সন্তানৰ মাজত সঠিক ব্যৱধান ৰখা। বৈঠকত শ্ৰীনাড্ডাই কেন্দ্ৰীয় আৰু ৰাজ্যসমূহৰ মাজত সঠিক পৰিয়াল পৰিকল্পনা আৰু ইয়াৰ বাবে থকা আঁচনিসমূহ সঠিকভাৱে প্ৰৱৰ্তন কৰাৰ বাবে বিশেষকৈ এই ক্ষেত্ৰত বেছি সমস্যাৰ সন্মুখীন হোৱা ৰাজ্য, জিলা আৰু খণ্ডসমূহৰ বাবে সমূহীয়া প্ৰচেষ্টাৰে কাম কৰাৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। শ্ৰীনাড্ডাই লগতে কয় যে, জনসংখ্যা নিয়ন্ত্ৰণৰ ক্ষেত্ৰত কেইবাখনো ৰাজ্যই ইতিমধ্যে সফলতা অৰ্জন কৰিছে আৰু আন ৰাজ্যসমূহত ইয়াৰ সাফল্যৰ বাবে প্ৰয়াস অব্যাহত আছে। স্বাস্থ্য মন্ত্ৰীগৰাকীয়ে লগতে পৰিয়াল পৰিকল্পনাৰ প্ৰয়োজনীয় সজাগতা সৃষ্টিৰ বাবে বিকশাই

তোলা সুগম নামৰ প্ৰদৰ্শনৰ বাবে আৰ্হি মুকলি কৰে। তেওঁ লগতে পৰিয়াল পৰিকল্পনাৰ সজাগতা সৃষ্টিৰ উদ্দেশ্যে প্ৰস্তুত কৰা এটা ৰেডিঅ' বিজ্ঞাপন মুকলি কৰে।

০০০০০০০০০

উচ্চতম ন্যায়ালয়ে স্নাতক পৰ্য্যায়ৰ চিকিৎসা বিজ্ঞান পাঠ্যক্ৰমৰ প্ৰৱেশ পৰীক্ষা নীট ইউ জি-২০২৪ সংক্ৰান্তীয় গোচৰৰ শুনানী অহা ১৮ জুলাইলৈ স্থগিত ৰাখিছে। মুখ্য ন্যায়াধীশ ডি ৱাই চন্দ্ৰচূড়ৰ নেতৃত্বৰ এখন খণ্ড বিচাৰপীঠে ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থা আৰু কেন্দ্ৰই দাখিল কৰা শপতনামাসমূহ সন্দৰ্ভত দলবোৰৰ নিজ নিজ প্ৰতিক্ৰিয়া দাখিল কৰিবলৈ সুবিধা দিয়াৰ বাবে গোচৰটোৰ শুনানী স্থগিতকৰণত অনুমোদন জনায়। শীৰ্ষ আদালতত আজি নীট ইউ জি ২০২৪ৰ চিকিৎসা বিজ্ঞানৰ প্ৰৱেশ পৰীক্ষা সংক্ৰান্তীয় আবেদন সন্দৰ্ভত শুনানী হোৱাৰ কথা আছিল। এই আবেদনসমূহৰ ভিতৰত যোৱা ৫ মে'ত অনুষ্ঠিত পৰীক্ষাৰ সময়ত অনিয়ম সংঘটিত হোৱা তথা পুনৰ পৰীক্ষা অনুষ্ঠিত কৰাৰ দাবী জনাই দাখিল কৰা আবেদনো আছে। কেন্দ্ৰই কালি দাখিল কৰা এখন অতিৰিক্ত শপতনামাত কয় যে, সৰ্বোচ্চ ন্যায়ালয়ৰ নিৰ্দেশ অনুসৰি, শিক্ষা মন্ত্ৰালয়ে আই আই টি মাদ্ৰাজক নীট ইউ জিৰ ফলাফলসমূহৰ ব্যাপক ডেটা বিশ্লেষণৰ বাবে অনুৰোধ জনাইছিল। ইয়াৰ পূৰ্বে যোৱা সোমবাৰে সৰ্বোচ্চ ন্যায়ালয়ে নীট ইউ জি - ২০২৪ৰ সততাৰ ক্ষেত্ৰত আপোচ কৰা হৈছে বুলি প্ৰকাশ কৰিছিল।

০০০০০০০০০

ইপিনে, কেন্দ্ৰীয় শিক্ষা মন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানক আজি শিক্ষাৰ্থীৰ এটা দলে নতুন দিল্লীত সাক্ষাৎ কৰে। ছাত্ৰ-ছাত্ৰীসকলে শিক্ষা মন্ত্ৰীগৰাকীক পৰীক্ষাৰ সময়ত তেওঁলোকে সন্মুখীন হোৱা প্ৰত্যাহ্বান আৰু অভিজ্ঞতাসমূহৰ বিষয়ে অৱগত কৰে।

০০০০০০০০০

কেন্দ্ৰীয় বন্দৰ, জাহাজ আৰু জলপথ দপ্তৰৰ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কৈছে যে, দেশৰ বৃহৎ বন্দৰসমূহৰ উন্নয়নৰ কাম সম্পূৰ্ণ হৈছে। কেৰালাৰ তিৰুৱনন্তপুৰমৰ বিঝিংজম বন্দৰত লাইট হাউচ পৰ্য্যটনৰ প্ৰসাৰৰ বাবে আজি ইয়াৰ লগত জড়িত সংশ্লিষ্ট পক্ষৰ বৈঠকত সম্বোধন কৰি তেওঁ এই কথা প্ৰকাশ কৰে। মন্ত্ৰীগৰাকীয়ে কয় যে, আমাৰ পূৰ্ব পুৰুষসকলে জাহাজ চলাচল আৰু সামুদ্ৰিক ক্ষেত্ৰৰ বিকাশৰ বাবে যি সাফল্য অৰ্জন কৰিছিল, আমি বৰ্তমানৰ পৰ্য্যাপ্ত উৎসসমূহক ব্যৱহাৰ কৰি সেই সাফল্যক আৰু আগুৱাই নিয়া উচিত। তেওঁ লগতে কয় যে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আশা কৰা ধৰণে পৰ্য্যটনৰ সম্ভাৱনাৰ প্ৰতি লক্ষ্য ৰাখি লাইট হাউচসমূহ আন্তঃৰাষ্ট্ৰীয় মানদণ্ডৰে অচিৰেই বিকশাই তোলা হ'ব।

কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কাইলৈ তিৰুৱনন্তপুৰমৰ বিঝিংজম বন্দৰত প্ৰথম সামগ্ৰী পৰিবহণ জাহাজ চান-ফাৰ্ণেণ্ডক আনুষ্ঠানিকভাৱে বন্দৰটোত আদৰণি জনাব। চীনৰ চিয়ামেন বন্দৰৰ পৰা আজি পুৱা চান-ফাৰ্ণেণ্ড নামৰ জাহাজখনে যাত্ৰা আৰম্ভ কৰে। এই জাহাজখন কেৰালাৰ বন্দৰত আহি পোৱাৰ ফলত কেৰালাবাসীৰ দীৰ্ঘদিনীয়া ইচ্ছা বাস্তৱায়িত হোৱাৰ লগতে ৰাজ্যখনৰ অভিলাষী অৰ্থনৈতিক আন্তঃগাঁথনি উন্নয়ন প্ৰকল্পসমূহৰ ৰূপায়ণত এটা উল্লেখযোগ্য মাইলৰ খুঁটি হিচাপে বিবেচিত হ'ব। অনাগত দিনত এই বন্দৰটোত বৃহৎ বৃহৎ জাহাজৰ আগমণ ঘটিব বুলি আশা কৰা হৈছে আৰু গোলকীয় জাহাজ পৰিবহণ মানচিত্ৰত এই বন্দৰটোৱে এটা গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰিব বুলি আশা কৰা হৈছে।

০০০০০০০০০

নিটি আয়োগৰ বিশেষ কাৰ্যসূচী **সম্পূৰ্ণতা অভিযান** অসমতো অব্যাহত আছে। এই অভিযানৰ অংশ হিচাপে জিলাই জিলাই বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। সম্পূৰ্ণতা অভিযানৰ অধীনত অভিলাষী জিলা আৰু উন্নয়ন খণ্ডসমূহত মূলতঃ প্ৰথম তিনি মাহতে পঞ্জীয়নভুক্ত প্ৰসূতিৰ সংখ্যা, সংহত শিশু বিকাশ সেৱাৰ অধীনত প্ৰসূতিৰ পৰিপূৰক খাদ্য যোগান, শিশুৰ সম্পূৰ্ণ ৰোগ প্ৰতিৰোধ ক্ষমতাৰ বৃদ্ধিৰ হাৰ, চৰকাৰে ২০১৫ চনতে কৃষকৰ বাবে আৰম্ভ কৰা ছয়েল হেল্‌থ কাৰ্ডৰ যোগেদি মাটিৰ নমুনা সংগ্ৰহৰ হাৰ, প্ৰতিটো খণ্ডত মধুমেহ আৰু উচ্চ ৰক্তচাপজনিত ৰোগীসকলক চিনাক্তকৰণৰ হাৰ আৰু একোটা উন্নয়ন খণ্ডত থকা আত্মনিৰ্ভৰশীল গোটৰ বিপৰীতে পুঁজি লাভ কৰি থকা গোটৰ হাৰ, বিদ্যুত যোগান থকা মাধ্যমিক পৰ্যায়ৰ বিদ্যালয়ৰ হাৰ তথা পাঠ্যক্ৰম আৰম্ভ হোৱাৰ এমাহৰ ভিতৰতে পাঠ্যপুথি বিতৰণৰ হাৰ বৃদ্ধি কৰাৰ লক্ষ্য লোৱা হৈছে। তিনি মাহজোৰা সম্পূৰ্ণতা অভিযানৰ অংশ হিচাপে নিৰ্বাচিত জনপ্ৰতিনিধিৰ লগতে জিলা তথা খণ্ড বিষয়াসকলে গ্ৰাম সভা, নাটক, পুষ্টিকৰ আহাৰ মেলা, স্বাস্থ্য শিবিৰ, প্ৰদৰ্শনী, সজাগতা সভা আৰু সমদল আদি বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰা হৈছে।

০০০০০০০০০

উইম্বলডন টেনিছ প্ৰতিযোগিতাৰ মহিলাৰ একক শাখাৰ প্ৰথমখন ছেমি ফাইনেলত আজি সন্ধিয়া কাজাখস্তানৰ এলেনা ৰায়বাকিনাই চেক গণৰাজ্যৰ বাৰবোৰা ক্ৰেজিছিক'ভাৰ বিৰুদ্ধে খেলিব।

আনহাতে দ্বিতীয়খন ছেমি ফাইনেলত সপ্তম বাছনিৰ ইটালীৰ জেছমিন পাৱলিনীয়ে ক্ৰ'ৱেছিয়াৰ ড'না ৰেকিকৰ বিৰুদ্ধে খেলিব। আগশাৰীৰ চেম্পিয়নশ্বিপত ড'না বেকিকে প্ৰথমবাৰৰ বাবে ছেমি ফাইনেল খেলিব।

পুৰুষৰ ডাবল্‌ছ শাখাৰ ছেমি ফাইনেলত শীৰ্ষ বাছনিৰ স্পেইন আৰু আৰ্জেণ্টিনাৰ যুটি মাৰ্ছেল গ্ৰেন'লৰ্ছ আৰু হ'ৰাছিঅ' জেবাল'ছে অষ্ট্ৰিয়াৰ যুটি মেক্স পৰ্ছেল আৰু জৰ্ডান থাম্পছনৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। দ্বৈত শাখাত আনখন খেলত ইংলেণ্ডৰ যুটী হেৰি হেলিঅ'ৱাৰা আৰু হেনৰী পেটেনে নিউজিলেণ্ডৰ নীল স্কুপস্কি আৰু মাইকেল ভেনাছৰ বিৰুদ্ধে খেলিব।

০০০০০০০০০

**সমাপ্ত**